# **REGIONAL NEWS UNIT**

## AKASHVANI, GUWAHATI

0000000000

**Date :** 01-09-2025

**Time :** 1715 HRS

# ***Assamese Evening Bulletin***

***- - - - - - - - - - - - - - -***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ১৫ হাজাৰ ৬৭১ গৰাকী সদস্যক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। জিলাখনৰ মুণ্ডামালা খেলপথাৰত আয়োজিত  অংশ লৈ দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে চৰকাৰী অনুদান দিচাপে লাভ কৰা ধন অপচয় কাৰাৰ পৰিৱৰ্তে অৰ্থনৈতিক উন্নয়নত বিনিয়োগ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত এতিয়া ১০ হাজাৰ টকাকৈ দিয়া হৈছে যদিও ক্ৰমান্বয়ে এই ধন ৫০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। ১৭ ছেপ্তেম্বৰত সকলো নতুন আৰু পুৰণি অৰুণোদয় হিতাধিকাৰীয়ে ধন লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। অহা এক নৱেম্বৰৰ পৰা ৰেচন কাৰ্ডত চাউলৰ লগতে চেনী, ডালি আৰু নিমখ কম মূল্যত লাভ কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী কৃষ্ণেন্দু পাল, কৌশিক ৰায়, সাংসদ কৃপানাথ মল্লাৰ লগতে কেইবাগৰাকীও নেতা উপস্থিত থাকে।

ooooo

বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও আজি মনোনয়ন পত্ৰ দাখিল কৰে। চিৰাং জিলাৰ সদৰ কাজলগাঁৱত থকা জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম, বি টি চিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰী আৰু কাৰ্যবাহী সদস্য চাইখং বসুমতাৰীয়ে ইউ পি পি এলৰ দলৰ হৈ মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰাৰ্থীকেইগৰাকীৰ হৈ প্ৰচাৰ চলাই মন্ত্ৰী আৰু দলটোৰ জ্যেষ্ঠ নেতা উৰ্খাও গৌৰা ব্ৰহ্মাই ইউ পি পি এল দলে পৰিষদ গঠনৰ বাবে সাজু হৈ আছে বুলি মত প্ৰকাশ কৰি মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলৰ জয় নিশ্চিত বুলিও দাবী কৰে। বাক্সা জিলাত নিৰ্দলীয় প্ৰাৰ্থী মনমোহন মদাহীয়ে ককলাবাৰী পৰিষদীয় সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। ইফালে, দিহিৰা পৰিষদীয় সমষ্টিত গণ সুৰক্ষা পাৰ্টীৰ প্ৰাৰ্থী হিচাপে ঘনশ্যাম দাসে বাক্সা জিলাৰ আয়ুক্তৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ মুছলপুৰ পৰিষদীয় সমষ্টিত ইউ পি পি এলৰ প্ৰাৰ্থী আৰু বি টি আৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই মনোনয়ন পত্ৰ দাখিল কৰে। তামুলপুৰতো ইউ পি পি এল, বি পি এফ, এ পি বি আৰু কংগ্ৰেছৰ বহুকেইজন প্ৰাৰ্থীয়ে আজি মনোনযন পত্ৰ দাখিল কৰে। ইয়াৰ লগতে বহুকেইগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়েও মনোনয়ন পত্ৰ দাখিল কৰাৰ বাতৰি আমাৰ সংবাদদাতাই জনাইছে। গয়বাৰী সমষ্টিত ইউ পি পি এলৰ হৈ প্ৰমোদ বড়োৱে মনোনয়ন পত্ৰ দাখিল কৰে। তামুলপুৰৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিলৰ পাছত বি টি আৰৰ প্ৰধানগৰাকীয়ে বি টি আৰ অঞ্চলৰ ৩৫ লাখ জনসাধাৰণৰ আশীৰ্বাদ লৈ তেওঁ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে বুলি দাবী কৰে। পৰিষদীয় নিৰ্বাচনত দলটোৰ উন্নত ফলাফল নিশ্চিত বুলি দাবী কৰি শ্ৰীবড়োৱে বিগত পাঁচ বছৰত ইউ পি পি এলে

ৰাইজৰ সমস্যা যথেষ্ট পৰিমাণে সমাধান কৰিছে বুলি দৃঢ়তাৰে প্ৰকাশ কৰিছে। বি পি এফ দলৰ প্ৰাৰ্থী জিতেন মুছাহাৰী আৰু কংগ্ৰেছ প্ৰাৰ্থী ৰুমি সিং মুছাহাৰীয়েও আজি সমষ্টিটোত মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে নাগ্ৰীজুলি সমষ্টিত ইউ পি পি এলৰ  ৰবীন্দ্ৰ বালা বিশ্বাসে মনোনয়ন পত্ৰ জমা দিয়ে। দৰঙাজুলি সমষ্টিত বি পি এফ আৰু ইউ পি পি এলৰ দুগৰাকী শীৰ্ষ নেতা ইমানুৱেল মুছাহাৰী আৰু জলেন দৈমাৰীয়ে মনোনয়ন পত্ৰ জমা দিয়ে। সমষ্টিটোত এ পি বি দলৰ মনোজ গয়াৰীয়েও মনোনয়ন পত্ৰ দাখিল কৰিছে। একেদৰে চেৰফাং, গোৰেশ্বৰ আদি সমষ্টিসমূহতো ভালেকেইজন বিজেপি, ইউ পি পি এল, বি পি এফ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। নাগ্ৰীজুলি আৰু চেৰফাং সমষ্টিত কাইলৈ বিজেপি প্ৰাৰ্থী ভজন দাস আৰু ৰনেন্দ্ৰ নাৰ্জাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব বুলি আমাৰ তামুলপুৰৰ সংবাদদাতাই জানিবলৈ দিছে।

ওদালগুৰি জিলাত ইউ পি পি এলৰ ৯গৰাকী আৰু বি পি এফৰ ৮গৰাকী প্ৰাৰ্থী আজি মনোনয়ন পত্ৰ দাখিল কৰে। জিলা নিৰ্বাচনী বিষয়াৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত ইউ পি পি এল দলৰ নেতা ৰণগৌৰা নাৰ্জাৰী আৰু বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰী উপস্থিত থাকে। ভৈৰৱকুণ্ড সমষ্টিত ইউ পি পি এলৰ গোবিন্দ চন্দ্ৰ বসুমতাৰী আৰু বি পি এফৰ ৰিহণ দৈমাৰী, ৰৌতা সমষ্টিত বি পি এফৰ চৰণ বড়ো আৰু ইউ পি পি এলৰ ড০ নিলুৎ স্বৰ্গীয়াৰী, খৈৰাবাৰী সমষ্টিত বি পি এফৰ লৌমশ্ৰাও দৈমাৰী আৰু মুদৈবাৰীত বি পি এফৰ জগদীশ সৰকাৰে প্ৰতিদ্বন্দ্বিতা কৰিছে।

বাক্সাতো শালবাৰী আৰু মথনগুৰি পৰিষদীয় সমষ্টিত বি পি এফৰ দুগৰাকী, কংগ্ৰেছৰ এগৰাকী আৰু চি পি আই এমৰ এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাইজৰ দলে আজি প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। বি পি এফে কালি তৃতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছিল। এই তালিকা অনুযায়ী চিৰাং দুৱাৰত দলটোৰ জ্যেষ্ঠ নেতা আৰু সভাপতি হাগ্ৰামা মহিলাৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০

বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে কাইলৈ গুৱাহাটীত এখন কৰ্মশালাৰ আয়োজন কৰিছে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত হ'বলগীয়া এই কৰ্মশালাত অসমৰ উপৰি অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ২০১৮ চনত কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰা ৰাষ্ট্ৰীয় বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদে দেশৰ বিভিন্ন প্ৰান্তত বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদানৰ দিহা কৰি আহিছে। এই পৰিষদ দেশৰ বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ গুণগত মানৰ উন্নয়নৰ প্ৰতি দায়বদ্ধ।

০০০০০

সমাপ্ত